**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-10-2023
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## HEADLINES

১) প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীছে কৈছে যে কৃষি ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে কৃতজ্ঞ ৰাষ্ট্ৰই যশস্বী কৃষি বিজ্ঞানী এম এছ স্বামীনাথনক যথাৰ্থভাৱে সেউজ বিপ্লৱৰ পিতৃ ৰূপে অভিহিত কৰিছে।

২) প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছত দেশৰ হৈ অভিলেখ সংখ্যক ১০০টা পদক লাভ কৰাৰ বাবে ভাৰতীয় খেলুৱৈসকলক অভিনন্দন জনাইছে।

৩) ছিকিম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই ৰাজ্যখনৰ শেহতীয়া বিধবংসী বানত ভাৰতীয় সেনা জোৱানকে ধৰি ২৭জন লোকৰ মৃত্যু হোৱাটো নিশ্চিত কৰিছে।

৪) কানাডাত হোৱা এটা বিমান দুৰ্ঘটনাত দুজন ভাৰতীয় প্ৰশিক্ষাৰ্থী পাইলটসহ তিনিজন লোকৰ মৃত্যু হৈছে।

*আৰু*

৫) চীনৰ হাংঝৌত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে ২৫টা সোণ, ৩৫ টা ৰূপ আৰু ৪০ টা ব্ৰঞ্জসহ মুঠ ১০০টা পদক লাভ কৰি অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি যশস্বী কৃষি বিজ্ঞানী প্ৰয়াত এম এছ স্বামীনাথনৰ অৰিহণাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰিছে। তেওঁ কয় যে, কৃষিবিজ্ঞানীগৰাকীয়ে কামৰ জৰিয়তে ভাৰক কৃষিৰ ক্ষেত্ৰত স্ব-নিৰ্ভৰ দেশ কৰি তোলাৰ লগতে সমৃদ্ধও কৰি তুলিছে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ ব্লগ নৰেন্দ্ৰমোডী.ইনত লিখিছে যে দেশে এজন দিগদৰ্শী ব্যক্তিত্বক হেৰুৱালে, যাৰ অসমান্য বৰঙণিৰ কথা সোণালী আখৰেৰে লিখা থাকিব। শ্ৰী মোদীয়ে কয় যে, বিংশ শিতকাৰ ষষ্ঠ দশকৰ কবলত পৰিছিল। তেতিয়াই অধ্যাপক তথা কৃষি বিজ্ঞানী স্বামীনথনৰ পৰিকল্পনা আৰু চিন্তাপ্ৰশূত কৰ্মই দেশক কৃষিক্ষেত্ৰত সমৃদ্ধ কৰি তুলিলে। তেওঁ কয় যে, স্বামীনাথনৰ অসামান্য বৰঙণিয়ে কৃষি ক্ষেত্ৰৰ উৎপাদন বৃদ্ধিত বিশেষ অৰিহণা যোগাইছে। তেওঁ কয় যে, বিজ্ঞানীগৰাকীয়ে ঘেঁহুৰ বৰ্ণসংস্কৰণ বীজৰ উদ্ভাৱনৰ জৰিয়তে ঘেঁহুৰ উৎপাদন বৃদ্ধি কৰিছিল। তেওঁ আগবঢ়োৱা অসামান্য বৰঙণিৰ বাবেই স্বামীনাথানক ভাৰতৰ সেউজ বিপ্লৰ পিতৃৰূপে যথাৰ্থভাৱে অভিহিত কৰা হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছত দেশৰ হৈ অভিলেখ সংখ্যক ১০০টা পদক লাভ কৰাৰ বাবে ভাৰতীয় খেলুৱৈসকলক অভিনন্দন জনাইছে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে,

এয়া এছিয়ান গেমছত ভাৰতৰ বাবে অত্যান্ত স্মৰণীয় মুহূৰ্ত। তেওঁ কয় যে, ১০০টা পদক লাভৰ মাইলৰ খুঁটিত উপনীত হোৱাত সমগ্ৰ দেশবাসী উজ্জীৱিত হৈ উঠিছে। ভাৰতে গঢ়া এই ইতিহাসৰ আৰত থকা খেলুৱৈসকলক আন্তৰিক অভিনন্দন জনাই তেওঁ কয় যে, প্ৰতিটো প্ৰেৰণাদায়ক কৰ্মই ইতিহাস গঢ়ে আৰু হৃদয় গৌৰৱেৰে পৰিপূৰ্ণ কৰি তোলে। প্ৰধানমন্ত্ৰীয়ে কয় যে, অহা মঙলবাৰে এচিয়ান গেমছত অংশগ্ৰহণকাৰী ভাৰতীয় খেলুৱৈসকলক সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁলোকৰ সৈতে মত বিনিময়ৰ বাবে তেওঁ অতি আগ্ৰহেৰে বাট চাই আছে।

০০০০

কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে এছিয়ান গেমছত ভাৰতে ১০০ টা মেডেল লাভ কৰাৰ বাবে খেলুৱৈসকলক অভিনন্দন জ্ঞাপন কৰিছে। নতুন দিল্লীত সাংবাদিকৰে সৈতে হোৱা কথা-বতৰাত কয় যে, এই খেলুৱৈসকলক ভৱিষ্যতৰ খেলুৱৈসকলৰ বাবে প্ৰেৰণাৰ উৎস হ'ব। তেওঁ কয় যে, এচিয়ান গেমছৰ ৭২ বছৰীয়া ইতিহাসত ভাৰতীয় খেলুৱৈসকলে কেইবাবাৰো বিশ্ব ৰেকৰ্ড ভাঙিবলৈ সক্ষম হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক লক্ষ্য বান্ধি দিছে আৰু সেই লক্ষ্য পূৰণৰ বাবে সকলো সুবিধা প্ৰদান কৰিছে। খেলুৱৈসকলৰ কঠোৰ পৰিশ্ৰম আৰু উৎসৰ্গাৰ মনোভাৱে ভাৰতক ১০০ পদক বিষয়ৰ দিশত নিশ্চিতি প্ৰদান কৰিলে। এচিয়ান গেমছত ভাৰতে ইতিহাস সৃষ্টি কৰাৰ বাবে তেওঁ সমৰ্থকসকলকো ঋন্যবাদ জ্ঞাপন কৰে।

০০০০

সামগ্ৰী আৰু সেৱাকৰ পৰিষদৰ বৈঠকখন নতুন দিল্লীত বৰ্তমান অনুষ্ঠিত হৈছে। বৈঠকত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা চিতাৰমনে অধ্যক্ষতা কৰিছে। এই বৈঠকত কেন্দ্ৰীয় ৰাজ্য বিত্ত মন্ত্ৰী পংকজ চৌধুৰীৰ উপৰি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিত্ত মন্ত্ৰীসকলকে ধৰি কেইবাজনো জ্যেষ্ঠ বিষয়াই তেওঁক ভূঁষসি প্ৰশংসা কৰে।

০০০০

ছিকিম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই ৰাজ্যখনৰ শেহতীয়া বিধবংসী বানত ভাৰতীয় সেনা জোৱানকে ধৰি ২৭জন লোকৰ মৃত্যু হোৱাটো নিশ্চিত কৰিছে। উত্তৰ ছিকিমৰ হিমবাহ হ্ৰদ লোনাকৰ পানীৰ পৰিমাণ অভাৱনীয়ভাৱে বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত ৪ অক্টোবৰত তিস্তা নদীয়ে নামনি অঞ্চলত বানৰ সৃষ্টি কৰে। এই ঘটনাত এই পৰ্যন্ত ১৪১জন লোক সন্ধানহীন হৈ থকাৰ তথ্য প্ৰকাশ পাইছে। এই প্ৰাকৃতিক দুৰ্যোগত এহেজাৰ ১৭৩টা ঘৰ ধ্বংস হয়। বৰ্তমানলৈকে দুহেজাৰ ৪১৩ গৰাকী লোকক উদ্ধাৰ কৰা হৈছে আৰু ২৬ গৰাকী লোক আহত হৈছে। প্ৰশাসনে স্থাপন কৰা ২২ টা সাহায্য শিবিৰত ৬ হাজাৰ ৮৭৫ গৰাকী লোকে আশ্ৰয় গ্ৰহণ কৰিছে। তিস্তাৰ বানে ৰাজ্যখনৰ ১৩খন দলং উটুৱাই নিয়ে।

ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং কালি সন্ধিয়া মিণ্টকগেঙত থকা তেওঁৰ চৰকাৰী বাসভৱনত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। এই বৈঠকত সীমান্ত পথ সংস্থাৰ সঞ্চালক প্ৰধান লেফটেনেণ্ট জেনেৰেল ৰঘু শ্ৰীনিবাসন, ৰাজ্যৰ মুখ্য সচিব ভি বি পাঠক, আৰক্ষী সঞ্চালক প্ৰধান এ কে সিং, ছেভেণ্টিন মাউণ্টেইন ডিভিজনৰ উপ-জিঅ'চি, আই টি বি পিৰ উপ-মহাপৰিদৰ্শক, সীমান্ত পথ সংস্থাৰ মুখ্য অভিযন্তা, স্বস্তিক আই টি বি পিৰ উপ-কামাণ্ডেণ্টসহ ৰাজ্য চৰকাৰ আৰু সেনা বাহিনীৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল। এই বৈঠকত

ৰাজ্যখনৰ সাম্প্ৰতিক পৰিস্থিতিৰ নিৰ্মোহ বিশ্লেষণ কৰাৰ লগতে ক্ষতিগ্ৰস্ত অঞ্চলৰ পুনৰ নিৰ্মাণ আৰু ক্ষতিগ্ৰস্ত লোকৰ পুনৰ সংস্থাপনৰ বিষয়টোও আলোচনা কৰা হয়। তদুপৰি যোগাযোগ বিচ্ছিন্ন হৈ পৰা উত্তৰ ছিকিমৰ যোগাযোগ ব্যৱস্থা পুনৰ স্থাপন কৰা আৰু সামগ্ৰীক পৰিৱেশ স্বাভাৱিক কৰি তোলাত গুৰুত্ব দিয়া হয়। বিশেষকৈ চাংথাঙলৈকে পথ যোগাযোগ পুনৰ স্বাভাৱিক কৰি তোলাত প্ৰাথমিক গুৰুত্ব দিয়া হয়।

oooo

কানাডাত হোৱা এটা বিমান দুৰ্ঘটনাত দুজন ভাৰতীয় প্ৰশিক্ষাৰ্থী পাইলটসহ তিনিজন লোকৰ মৃত্যু হৈছে। অভয় গাড্ৰো আৰু য়ছ বিজয় ৰামুগাড়ে নামৰ পাইলট দুজনৰ ঘৰ মুম্বাইত বুলি জনা গৈছে। দ্বৈত ইঞ্জিনৰ সৰু বিমানখনে এজোপা গছত খুন্দা মাৰে আৰু ভেংকুভাৰৰ ওচৰৰ চিলিৱাট মহানগৰৰ স্থানীয় বিমান বন্দৰৰ সমীপত ধ্বংসপ্ৰাপ্ত হয়। স্থানীয় প্ৰশাসনৰ লোক তাৎক্ষণিকভাৱে ঘটনাস্থালীত উপস্থিত হয়। কানাডাৰ পৰিবহন সুৰক্ষা পৰিষদে বিমান দুৰ্ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে। দেশৰখনৰ চৰকাৰী সূত্ৰ অনুসৰি দুৰ্ঘটনাটোত আন কোনো লোক হতাহত হোৱা নাই।

oooo

কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী পুৰুযোত্তম ৰূপালা আৰু কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ড০ এল মুৰুগানে আজি পুৱা ৰামনাথপুৰম্ জিলাৰ থন্দি মীন পোতাশ্ৰয়ত সাগৰ পৰিক্ৰমাৰ নৱম পৰ্যায় আৰম্ভ কৰে। এই অনুষ্ঠানত মন্ত্ৰী ৰূপালাই কয় যে, দেশৰ মীন উদ্যোগত তামিলনাডু হৈছে অন্যতম অগ্ৰনী ৰাজ্য। তেওঁ কয় যে ৰাজ্যখনৰ মীন খণ্ডই দেশৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত প্ৰাথমিক অৱদান আগবঢ়াই আহিছে। মাছমৰীয়াসকলক লাভান্বিত কৰিব পৰাকৈ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে ব্যাখ্যা কৰে। তেওঁ কয় যে, যিসকল মাছমৰীয়াই কিষাণ ক্ৰেডিট কাৰ্ডৰ বাবে আবেদন কৰিছে, তেওঁলোকক এই কাৰ্ড প্ৰদান কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে থন্দিত মাছ মৰা পোতাশ্ৰয় নিৰ্মাণৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন দাখিল কৰিবলৈ সংশ্লিষ্ট বিষয়াবৰ্গক নিৰ্দেশ দিয়ে। মাছ মৰা জাল আৰু নাও নিৰ্মাণকাৰীসকলৰ কেন্দ্ৰীয় চৰকাৰৰ বিশ্বকৰমা আচনিৰ জৰিয়তে উপকৃত হ'ব বুলি তেওঁ উল্লেখ কৰে। শ্ৰী ৰূপালাই কয় যে, কেন্দ্ৰীয় চৰকাৰে মাছ মৰা কাৰ্যৰ লগত জৰিত আৰু আলংকৰিক মাছৰ উদ্যোগত জড়িত মহিলাসকলক প্ৰাধান্য দি আহিছে। তেওঁ কয় যে, চৰকাৰ উপকূলীয় অঞ্চলৰ পৰিষ্কাৰকৰণৰ কামত জড়িত হ'ব। মন্ত্ৰীগৰাকীয়ে স্থানীয় একাংশ মাছমৰীয়াৰ সৈতে মত বিনিময় কৰে আৰু অঞ্চলটোত চলি থকা প্ৰকল্প সমূহৰ বুজ লয়। অনুষ্ঠানত ৰাজ্য মন্ত্ৰী ড০ মুৰুগানে কয় যে, সাগৰ পৰিক্ৰমা ৬মাহ পূৰ্বে গুজৰাটত আৰম্ভ হৈছিল আৰু কেইবাখনো উপকূলীয় জিলালৈ সম্প্ৰসাৰিত হয়। তেওঁ কয় যে, উপকূলীয় অঞ্চলৰ ভ্ৰমণে নৰেন্দ্ৰ মোদী চৰকাৰৰ বিভিন্ন আঁচনিৰ হিতাধিকাৰী মাছমৰীয়াসকলৰ সৈতে মত বিনিময়ৰ সুযোগ আনি দিছে।

oooo

চীনৰ হাংঝৌত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে ২৫টা সোণ, ৩৫ টা ৰূপ আৰু ৪০ টা ব্ৰঞ্জসহ মুঠ ১০০টা পদক লাভ কৰি অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে। শেহতীয়াকৈ ভাৰতৰ মহিলা কাবাদী দলে সোণ আৰু পুৰুষৰ কম্পাউণ্ড আৰ্চাৰী দলে ৰূপৰ পদক লাভ কৰে। ভাৰত বৰ্তমান পদক তালিকাৰ চতুৰ্থ স্থানত আছে।

দেশৰ হৈ ১০০ সংখ্যক পদকটো মহিলা কাবাদী দলে লাভ কৰে। ফাইনেলত ভাৰতীয় দলটোৱে চীনা টাইপেক ২৬-২৫ৰ ব্যৱধানত পৰাভূত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঐতিহাসিক জয়ৰ বাবে কাবাদী দলটোক অভিনন্দন জনাইছে। তেওঁ লগতে কয় যে, এই জয়ে দেশৰ মহিলা এথলিটসকলৰ অদমনীয় শক্তিক প্ৰতিপন্ন কৰিলে। পুৰুষৰ কাবাদী দলটোৱে স্বাৰ্ণ পদকৰ বাবে আজি বিয়লি ইৰাণৰ বিৰুদ্ধে খেলিব।

পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড আৰ্চাৰীৰ ফাইনেলত অ'জাছ ডেওতালে সোণ আৰু অভিষেক বাৰ্মাই ৰূপৰ পদক লাভ কৰে। নিচেই পুৱাতে ভাৰতে মহিলাৰ ব্যক্তিগত শাখাৰ কম্পাউণ্ড আৰ্চাৰীত সোণ আৰু ৰূপৰ পদক লাভ কৰে। জ্যোতি সুৰেখা ভেনমে দক্ষিণ কোৰিয়াৰ ছিউৰন ছ'ক পৰাজিত কৰি সোণৰ পদক হস্তগত কৰে।  আনহাতে অদিতি গোপিছান্দ স্বামীয়ে এই শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে।

ইপিনে পুৰুষৰ ক্ৰিকেটৰ ফাইনেলত ভাৰতে বৰ্তমান আফগানিস্তানৰ বিৰুদ্ধে খেলি আছে। ভাৰতে টছত জিকি প্ৰথমতে বলিং কৰাৰ সিদ্ধান্ত লয়। ভাৰতৰ মহিলা ক্ৰিকেট দলটোৱে ইতিমধ্যে হাংঝৌ এছিয়ান গেমছত স্বৰ্ণ পদক লাভ কৰিছে। মল্লযুঁজত পুৰুষৰ ৭৪ কিলোগ্ৰাম শাখাৰ ফাইনেলত ভাৰতৰ য়ছে কম্বোদিয়াৰ ছেয়াং ছিউবুনৰ বিৰুদ্ধে খেলিব। আনহাতে দীপক পুনিয়াই উজবেকিস্তানৰ জাবৰেল ছেপিয়েফক পুৰুষৰ ৮৬ কিলোগ্ৰাম ফ্ৰীষ্টাইল শাখাৰ ছেমিফাইনেলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। তেওঁ আজি ইৰানৰ হাছান য়াছদানিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পুৰুষৰ বেডমিণ্টনৰ ডাবলছত স্বৰ্ণ পদক লাভৰ লক্ষ্যৰে আজি ভাৰতৰ ছিৰাগ ছেট্টি আৰু স্বাস্তিকচৈৰাজ ৰানকীৰেড্ডীৰ যুটী দক্ষিণ কোৰিয়াৰ চোই ছলগিউ আৰু কিম ৱন-হোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

**সমাপ্ত**